Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

দশম শ্ৰেণীৰ বাবে

দ্বিতীয় ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)

পাঠ - ১০

অৰুণিমা সিনহা



এটা খড়্গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

অংশ - ১

অংগৰাগ ভূঞা

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

গদ্যাংশ



অৰুণিমা সিনহা

জয়শ্ৰী গোস্বামী মহন্ত

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

লেখক - পৰিচিতি

ডঃ জয়শ্রী গোস্বামী মহন্ত (১৯৬০) :

ডঃ জয়শ্রী গোস্বামী মহন্ত অসমৰ এগৰাকী বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ তথা ভূতপূৰ্ব সাংসদ। গল্প, কবিতা, উপন্যাস, শিশু-সাহিত্য ৰচনা কৰাৰ উপৰি তেওঁ সমসাময়িক আৰ্থ-সামাজিক আৰু ৰাজনৈতিক দিশৰ মননশীল প্রবন্ধও ৰচনা কৰিছে। বিশ্বসাহিত্যৰ বহু উল্লেখনীয় গ্রন্থৰ অনুবাদেৰে তেওঁ অসমীয়া অনুবাদ সাহিত্যলৈও বৰঙণি

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

আগবঢ়াইছে। কটন কলেজৰ প্ৰাণীবিজ্ঞান বিভাগৰ তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ একে বিভাগৰ অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰা ডঃ মহন্তৰ বিজ্ঞান বিষয়ক বহুতো গৱেষণামূলক প্ৰবন্ধ দেশ-বিদেশৰ আগশাৰীৰ আলোচনীত প্ৰকাশ পাইছে। ডঃ মহন্ত ১৯৯৯ চনৰ পৰা ২০০২ চনলৈকে ৰাজ্যসভাৰ সাংসদ আছিল। 'মহাকবি', 'গান্ধাৰী', 'চাণক্য' আদি উপন্যাস, 'অন্য এক ৰত্নাকৰ', 'উঁৱলি যোৱা চাদৰ' আদি গল্প-সংকলন, 'অসম আন্দোলন: যুগমীয়া চিন্তাৰ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

প্রতিফলন' শীর্ষক প্রবন্ধ-সংকলন, 'চেমনীয়াৰ বিশ্ব সাহিত্য', 'বিশ্বৰ শ্রেষ্ঠ সাধু' আদি শিশু-কিশোৰৰ উপযোগী গ্রন্থ ডঃ মহন্তৰ উল্লেখযোগ্য সৃষ্টি। বর্তমানে 'এদিনৰ সংবাদ' কাকতৰ মুখ্য সম্পাদক হিচাপে কার্যনির্বাহ কৰি থকা মহন্তক ২০১৮ চনত ভাৰত চৰকাৰে পদ্মশ্রী উপাধিৰে সন্মানিত কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

অৰুণিমা সিনহা

এখন চলন্ত ৰে'লগাড়ী...

'দে বুলি কৈছোঁ নহয়, দি দে এতিয়াই।'- ডকাইতৰ দলটোৰ এটাই হুটা মাতেৰে প্রচণ্ড শব্দ কৰি ধমকি দিলে।

চলন্ত ৰে'লগাড়ীখনৰ দবাটোত বহুতো মানুহ। আটাইৰে মুখবোৰ শুকাই টেমি যেন হৈছে। কোনেও কাকো সহায় কৰিবলৈ মনোবল গোটাব পৰা নাই।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ববং ডকাইতবোৰে বিচৰা মতে হাতৰ, কাণৰ আৰু ডিঙিৰ অলঙ্কাৰবোৰৰ লগতে যাৰ হাতত যি টকা-পইচা আছিল প্ৰাণৰ মায়াত নীৰৱে, বিনাপ্ৰতিবাদে ডকাইতবোৰৰ হাতত তুলি দিছে। একমাত্ৰ ব্যতিক্ৰম চাব্বিছ বছৰ বয়সৰ গাভৰু অৰুণিমা সিন্হা। লক্ষ্ণৌৰ পৰা দিল্লী অভিমুখে আহি আছিল ৰে'লগাড়ীখন। ৰে'ল পুলিচ বা গার্ড কাৰো খবৰ নাছিল যে চলন্ত ৰে'লগাড়ীত নিৰ্বিবাদে ডকাইতি, লুণ্ঠন চলাই গৈছে এদল দুষ্কৃতিকাৰীয়ে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

খঙত টিঙিৰি তুলা হৈ এইবাৰ ডকাইতবোৰৰ মাজৰ পৰা এটাই আহি অৰুণিমাৰ সন্মুখত থিয় হ'ল।

'দে বুলিছোঁ নহয় এতিয়াই ভালে ভালে দি দে চেইনডাল। নহ'লে... তাৰ পৰিণাম মুঠেও ভাল নহ'ব।'

অৰুণিমা নিৰুদ্বেগ। অৰুণিমা অসংকুচিত। অৰুণিমাৰ দুচকুত সাহস।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

'মই দিব নোৱাৰোঁ। মোৰ ডিঙিৰ এই চেইনডাল কেৱল এডাল চেইন নহয়, এয়া মায়ে মোক মৰমেৰে দিয়া আশীৰ্বাদ। ইয়াত মাৰ হাতৰ পৰশ লাগি আছে, সেয়ে এইডাল মই কোনোমতে তোমালোকক দিব নোৱাৰোঁ।'

অৰুণিমা সিনহা ভাল ভলীবল খেলু�ৰে। ৰাষ্ট্ৰীয় পৰ্যায়ত ইতিমধ্যে সুনাম আৰ্জি থৈছে। উত্তৰ প্ৰদেশত ঘৰ তেওঁৰ। ২০১১ চনৰ ঘটনা এয়া।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ৰে'লগাড়ীখন চলি আছিল। ডকাইতৰ দলটোৰ লুট-পাতো চলি আছিল অবিৰাম। সিহঁতে বাৰে বাৰে সোণৰ চেইনডাল বিচাৰি অৰুণিমাক ধমদি দি আছিল। অৰুণিমা কিন্তু কোনো ধমকিৰ ওচৰত সেও মনা বিধৰ ছোৱালী নাছিল। ৰে'ল গাড়ীখনৰ একেটা ডবাত থকা আন বহুতে চকুৰে অৰুণিমাক চেইনডাল দি দিবলৈ ইংগিত দিছিল যদিও তেওঁ অন্যায়ৰ ওচৰত শিৰ নত কৰিবলৈ বিচৰা নাছিল। বাৰে বাৰে তেওঁ একেষাৰ কথাকে কৈ আছিল- 'এয়া মোৰ মায়ে দিয়া আশীৰ্বাদ, এয়া কেৱল এডাল চেইন নহয়।'

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

'নিদিয় তেন্তে? আমাৰ অবাধ্য হোৱাৰ পৰিণাম কি জাননে নাজান তই?'- কোনোবা এটাই গৰজি উঠি ক'লে।

মুহূর্ততে দুটা ডকাইত আগবাঢ়ি আহিল আৰু কোনেও একো টলকিব পৰাৰ আগতেই অৰুণিমাক ডাংকোলাকৈ তুলি নি চলন্ত ৰে'লগাড়ীৰ পৰা দৰাৰেৰে বাহিৰৰ আন্ধাৰলৈ দলিয়াই দিলে। সেই সময়তে ওচৰেৰে আন এখন ৰে'লগাড়ী আহি আছিল। অৰুণিমাৰ শৰীৰটো চলন্ত ৰে'লগাড়ীখনত খুন্দা খাই বস্তা এটাৰ দৰে তললৈ পৰি গ'ল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

অৰুণিমাই প্ৰাণপণে চিঞৰিলে যদিও ৰে'লৰ ইঞ্জিন আৰু চকাৰ শব্দত তেওঁৰ মাত তল পৰি গ'ল। প্ৰায় সাত ঘণ্টা সময় তেওঁ ৰে'লআলিৰ কাষত পৰি ৰ'ল আৰু সেই সময়ত কাষেদি ঊনচল্লিশখন ৰে'লগাড়ী পাৰ হৈ গ'ল। নিশাৰ আন্ধাৰত কোনেও অৰুণিমাক নেদেখিলে বা কোনোবাই দেখিলেও ভয়তে আগবাঢ়ি নাহিল। ৰাতি পুৱালত সকলোৱে দেখিলে লক্ষ্ণৌ-দিল্লীগামী ৰে'লপথৰ কাষত গুৰুতৰভাৱে আহত অৱস্থাত এজনী ছোৱালী পৰি আছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

প্ৰথমতে বেৰিলী হস্পিতালত, তাৰ পিছত নতুন দিল্লীৰ অল ইণ্ডিয়া ইন্সাটিটিউট অব মেডিকেল চায়েন্সত তেওঁৰ চিকিৎসাৰ ব্যৱস্থা কৰা হ'ল। কোনো কোনোৱে ক'লে টিকট নোহোৱাকৈ ভ্ৰমণ কৰা অৰুণিমাই কণ্ডাক্টৰে টিকট বিচৰাত ৰে'লগাড়ীৰ পৰা জাঁপ মাৰি দিছিল, কোনোৱে আকৌ আন কিবা কাৰণত অৰুণিমাই আত্মহত্যা কৰিবলৈ ৰে'লআলিলৈ গৈছিল বুলি ক'লে। কথাষাৰ অৰুণিমাৰো কাণত পৰিছিল, এইবোৰে তেওঁৰ মনত দুখ দিয়াৰ উপৰিও সকলো কথাকে প্ৰত্যাহ্বান হিচাপে লৈ নতুনকৈ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

জীৱনটোক গঢ় দিবলৈ সংকল্পবদ্ধ কৰি তুলিছিল। সেই ঘটনাটোত তেওঁ এখন ভৰি চিৰদিনৰ বাবে হেৰুৱাবলগীয়া হ'ল আৰু আনখন ভৰিত লোৰ ৰড সুমুৱাই তাৰ সহায়ত চলাফিৰা কৰিব পৰা কৰা হ'ল। হেৰুওৱা ভৰিখনৰ ঠাইত কৃত্রিম ভৰি সংযোজন কৰা হ'ল।

হস্পিতালৰ বিছনাত শুই থাকোঁতে তেওঁৰ মনত হিমালয়ৰ শৃংগলৈ উঠাৰ সপোন তীব্র হ'বলৈ ধৰিলে। এভাৰেষ্ট বিজয়ৰ আকাংক্ষাত তেওঁ ভৰিৰ বিষ আৰু বিকলাঙ্গতাৰ কথা পাহৰি গ'ল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বৰং ক'ত কেনেকৈ এই বিষয়ৰ প্ৰশিক্ষণ ল'লে কৃতকাৰ্য হ'ব পাৰিব, সেই বিষয়েহে চিন্তা কৰিবলৈ ধৰিলে। এনেতে তেওঁ গম পালে- এভাৰেষ্ট বিজয়ী বাচেন্দ্ৰি পালে তেওঁক সঠিক পথ দেখুৱাই পৰামৰ্শ দিব পাৰিব। চাৰি মাহৰ মূৰত তেওঁ হস্পিতালৰ পৰা ওলাই ঘৰলৈ নগৈ পোনে পোনে বাচেন্দ্ৰি পালৰ ওচৰ পালেগৈ। তেওঁৰ দুচুকত তেতিয়া এভাৰেষ্ট বিজয়ৰ সপোন। পৃথিৱীৰ শীৰ্ষতম স্থানত থিয় হোৱাৰ তীব্ৰ হেঁপাহ।


Under CSR Support by ipca Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। অৰুণিমা সিন্‌হাৰ কোনবিধ খেলত বিশেষ দক্ষতা আছিল?



Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



২। অৰুণিমা সিন্‌হাৰ ঘৰ ক'ত?

mg উত্তৰ প্ৰদেশত

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



৩। হস্পিতালত থাকোঁতে অৰুণিমাৰ মনত কি সপোনে তীব্ৰ ৰূপ লৈছিল?



প্লেনেৰে জয় কৰাৰ